# অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতান্ত্রিক অধ্যয়ন

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ
ভাষা শাখাৰ অসমীয়া বিভাগৰ পি.এইচ.ডি ডিগ্ৰী প্ৰাপ্তিৰ বাবে
প্ৰদত্ত গৱেষণা গ্ৰন্থৰ সাৰাংশ

চক্ৰধৰ ৰায়
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
বি.টি.আৰ, কোকৰাঝাৰ, অসম, ২০২৩ বৰ্ষ

# অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতান্ত্ৰিক অধ্যয়ন

উত্তৰ পূৱ ভাৰতবৰ্ষৰ এক অন্যতম জনগোষ্ঠী হ'ল কোচ-ৰাজবংশীসকল। এই জনগোষ্ঠীয় লোকৰ শাৰীৰিক অৱয়ব আৰু গঠনৰ দিশৰ পৰা বহুত পণ্ডিতে মঙ্গোলীয় মূলৰ বুলি ইতি পূৰ্বে ঠাৱৰ কৰিছে। ইতিহাস খুচুৰি চালে দেখা যায় যে প্ৰাচীন কামৰূপৰ এক বিস্তৃত অঞ্চল বহু সময় ধৰি এই জনগোষ্ঠীৰ ৰজা বিশ্বসিংহ, নৰনাৰায়ণ আদিয়ে প্ৰশাসনিক, অৰ্থনৈতিক ব্যৱস্থা পৰিচালনা কৰিছিল। ইয়াৰ লগতে সাহিত্য আৰু ধৰ্মৰো উপাসনা চলিছিল, যাৰ ফলশ্ৰুতিত শংকৰদেৱৰ দৰে মহাপুৰুষে কোচ ৰজাৰ চত্ৰ ছায়াত বৈষ্ণৱ ধৰ্মৰ বিভিন্ন গ্ৰন্থ ৰচনা কৰি প্ৰাচীন অসমীয়া সাহিত্যৰ ভেঁটি মজবুত কৰিবলৈ সক্ষম হৈছিল। গতিকে ইতিহাসৰ পাততে আমি এই জনগোষ্ঠীৰ প্ৰশাসনিক, অৰ্থনীতিক, সাহিত্য আৰু ধৰ্মৰ ক্ষেত্ৰত এক সবল স্থিতিৰ উমান পাওঁ। বৰ্তমান সময়ছোৱাত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ উপৰিও বাংলাদেশ আৰু নেপালত এই জনগোষ্ঠীৰ লোকসকলোক স্বকীয় বৈশিষ্ট্যতাৰে বসবাস কৰি অহা পৰিলক্ষিত হৈছে। যদিও ভৌগোলিক পৰিসীমা আৰু ৰাজনৈতিক কাৰণত এই জনগোষ্ঠীৰ লোকসকলে এক ভিন্ন ভাষা, সংস্কৃতি আৰু পৰিৱেশৰ মাজত বসবাস কৰি আহিছে, তথাপিও নিজৰ স্বকীয় সাংস্কৃতিক আৰু ভাষিক বৈশিষ্ঠ্য নিৰূপণৰ দ্বাৰা মূলসূঁতিৰ সাংস্কৃতিক ব্যৱস্থাপনাক শক্তিশালীভাৱে দাঙি ধৰা দেখা যায়। বৰ্তমান সময়ছোৱাত অসমত এক বুজন সংখ্যাক কোচ-ৰাজবংশী লোক বসবাস কৰি আছে। অসমৰ অঞ্চল বিশেষে এই জনগোষ্ঠীয় লোকসকলে নিজৰ স্বকীয় বৈশিষ্ট্য হেৰুৱাৰ উপক্ৰম ঘটিছে। কিন্তু ইয়াৰ পৰিৰ্বতে পশ্চিম অসমৰ বিশেষকৈ কোকৰাঝাৰ, বঙ্গাইগাওঁ, চিৰাং, ধুবুৰী, গোৱালপাৰা জিলাৰ এই জনগোষ্ঠীৰ লোকসকলে নিজৰ স্বকীয় সাংস্কৃতিক আৰু ভাষিক বৈশিষ্ট্য বহন কৰি আহিছে। কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোক সাহিত্য আৰু লোক সংস্কৃতি অত্যন্ত চহকী। লোকগীত, মালিতা, ফঁকৰা-যোজনা, প্ৰবাদ প্ৰবচন, সাধুকথা, মন্ত্ৰ সাহিত্য, লোক পৰিৱেশ্য কলা, উৎসৱ অনুষ্ঠান, ভৌতিক সংস্কৃতি আদিৰে কোচ-ৰাজবংশী লোক সাহিত্য আৰু লোক সংস্কৃতি টনকীয়াল। এনে লোক সাহিত্যসমূহৰ যোগেদিয়ে এই জনগোষ্ঠীৰ উৎপত্তি, আদিম অৱস্থা, বিৱৰ্তন, মনস্তত্ত্ব, চিন্তা-চৰ্চা, ৰীতি-নীতি ইত্যাদিৰ সমন্ধে এক সামগ্ৰিক ছবি লাভ কৰিব পাৰো। সমান্তৰালভাৱে চালে দেখা যায় কোচ-ৰাজবংশী লোক সাহিত্যত সাধুকথাসমূহে এক বিশেষ স্থান দখল কৰি আছে। জাতি এটাৰ নৃতাত্ত্বি অধ্যয়নত মূল উপজীৱ্য হ'ব পাৰে সাধুকথাসমূহ। গতিকে সাধুকথাসমূহৰ এনে গুৰুত্বৰ প্ৰতি

লক্ষ্য ৰাখি এক বিজ্ঞানকেন্দ্ৰিক চিন্তাধাৰাৰে **'অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতান্ত্ৰিক অধ্যয়ন'** শীৰ্ষক বিষয়ত গৱেষণা কৰা হৈছে।

**'অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সাধুকথা ঃ এক পৰিৱেশতান্ত্ৰিক অধ্যয়ন'** শীৰ্ষক গৱেষণা গ্ৰন্থখনত অৱতৰণিকা আৰু উপসংহাৰ বাহিৰে পাঁচটা মূখ্য অধ্যায়ত বিভাজন কৰা হৈছে। অৱতৰণিকাত বিশেষকৈ বিষয়ৰ পৰিচয়, অধ্যয়নৰ উদ্দেশ্য, সমল আৰু পদ্ধতি, পূৰ্বকৃত অধ্যয়নৰ খতিয়ান, গৱেষণাৰ পৰিসৰ, পৰিকল্পনা আৰু গুৰুত্ব দাঙি ধৰা হৈছে। প্ৰথম অধ্যায়ত মূলতঃ পৰিৱেশতান্ত্ৰিক সমালোচনাৰ তাত্ত্বিক দিশক আলোচনা কৰা হৈছে। এই অধ্যায়ত পৰিৱেশতান্ত্ৰিক সমালোচনাৰ পটভূমি আলোচনা কৰিবলৈ গৈ আমেৰিকান তুৰীবাদীসকল আৰু ইংলেণ্ডত ৰোমান্টিক সাহিত্যৰ প্ৰভাৱত পৰিৱেশতান্ত্ৰিক সমালোচনাৰ তাত্ত্বিক ধাৰাৰ কিদৰে বিকাশ লাভ কৰিছিল, সেয়া আলোচনা কৰা হৈছে। সমান্তৰালভাৱে পৃথিৱীৰ পৰিৱেশকেন্দ্ৰিক 'চিপ্‌কো', 'গ্ৰীন বেল্ট মুভমেন্ট' ইত্যাদি আন্দোলনে কিদৰে পৰিৱেশতান্ত্ৰিক সমালোচনাৰ ধাৰাক প্ৰভাৱিত কৰিছিল, সেয়া আলোচনাত সামৰি লোৱা হৈছে।

পৰিৱেশতান্ত্ৰিক সমালোচনা হৈছে এক বহুমুখী তত্ত্ব। গভীৰ পৰিৱেশতন্ত্ৰ বা পাৰিপাৰ্শ্বিক নৈতিকতা, পৰিৱেশতান্ত্ৰিক নাৰীবাদ, পৰিৱেশতান্ত্ৰিক মাৰ্ক্সবাদ, জৈৱ-আঞ্চলিকতাবাদ, জন্তু অধ্যয়ন ইত্যাদি তাত্ত্বিক দৃষ্টিভংগীসমূহ পৰিৱেশতান্ত্ৰিক সমালোচনাৰ অন্তৰ্গত। প্ৰথম অধ্যায়ত এই তাত্ত্বিক দিশৰসমূহৰ বিস্তৃত ৰূপত আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ বাহিৰেও প্ৰকৃতি আৰু সংস্কৃতি, প্ৰকৃতি আৰু নাৰীৰ সমতুল্যতাৰ তাত্ত্বিক আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়ত কোচ-ৰাজবংশী সাধুকথাৰ সামগ্ৰিক আলোচনা কৰা হৈছে। এনে কৰিবলৈ যাওতে কোচ-ৰাজবংশী লোক সাহিত্যৰ অন্তৰ্গত লোকগীত, ফকৰা-যোজনা আৰু সাঁথৰ, মন্ত্ৰ সাহিত্য ইত্যাদিৰো সামগ্ৰিক পৰ্যালোচনা কৰা হৈছে। মূখ্য আৰু গৌণ উৎসৰ পৰা সংগ্ৰহিত প্ৰায় সত্তৰটাতকৈ অধিক সাধুকথা অধ্যয়ন কৰি কোচ-ৰাজবংশী সাধুকথাৰ এক বিজ্ঞানসন্মত শ্ৰেণী বিভাজন কৰা হৈছে। সমান্তৰালকৈ কোচ-ৰাজবংশী সাধুকথাৰ বিশেষত্ব, বিষয়বস্তু, চৰিত্ৰ ইত্যাদিৰ আলোচনা আগবঢ়োৱা হৈছে এই অধ্যায়ত।

তৃতীয় অধ্যায়ত কোচ-ৰাজবংশী সাধুকথাৰ ওপৰত পৰিৱেশতান্ত্ৰিক সমালোচনাৰ তাত্ত্বিক দিশ প্ৰয়োগ কৰি মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্ক, সম্পদৰ বহনক্ষম ব্যৱহাৰ, পৰিৱেশ সচেতনতা, সংৰক্ষণ ইত্যাদি প্ৰসঙ্গসমূহ আলোচনা কৰা হৈছে। এই অধ্যায়ত মূলতঃ মানুহৰ দৰে প্ৰকৃতিৰ অন্যান্য প্ৰাণীসমূহৰো যে চিন্তা কৰিব পৰা শক্তি বা জ্ঞান আছে, জীৱ-জন্তু তথা প্ৰকৃতিৰ উপাদানসমূহৰ ভোগ কৰাৰ অধিকাৰ মানুহৰ নাই, প্ৰকৃতি আৰু নাৰীৰ সমতুল্যতা, কোচ-ৰাজবংশী জনগোষ্ঠীৰ

ভূমিৰ অধিকাৰ, ৰাজনৈতিক অধিকাৰ ইত্যাদি প্ৰসঙ্গসমূহ আন্তঃসম্পৰ্কৰ দৃষ্টিৰে আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়ত, কোচ-ৰাজবংশী সাধুকথাসমূহক পৰিৱেশমূলক অন্তৰ্দৃষ্টিৰে অধ্যয়ন কৰা হৈছে। অন্তৰ্দৃষ্টি দিশটোয়ে দৃষ্টিৰ গভীৰতাক প্ৰতিনিধিত্ব কৰে। মানৱজাতি আৰু প্ৰকৃতিৰ মাজত এনে কিছু সম্পৰ্ক আছে যিটো সাধাৰণ দৃষ্টিত গুৰুত্বপূৰ্ণ যেন নালাগে। গভীৰভাৱে লক্ষ্য কৰিলেহে তাৰ অৰ্থ বুজিব পাৰি। উদাহৰণস্বৰূপে কোচ-ৰাজবংশী লোকসকলৰ মাজত বিশ্বাস আছে যে বৃহস্পতিবাৰে বাঁহ গছ কাটিব নাপায়, কাৰণ সেইদিনা বাঁহ গছৰ জন্মদিন। আপাততঃ দেখাত সাধাৰণ যেন লগা এই লোক বিশ্বাসত পৰিৱেশমূলক অন্তৰ্দৃষ্টিৰে লক্ষ্য কৰিলে দেখা যায় সম্পদৰ সংৰক্ষণ আৰু বহনক্ষম ব্যৱহাৰৰ দিশটোক দাঙি ধৰিছে। লগতে ৰক্ষিত হৈছে মানুহ আৰু প্ৰকৃতিৰ বহনক্ষম সম্পৰ্ক। এনে প্ৰসঙ্গ কোচ-ৰাজবংশী সাধুকথাসমূহৰ মাজতো দেখা যায়, য'ত পাহাৰ পূজা, বাঘ পূজা, গছৰ লগত মানুহৰ বিবাহ ইত্যাদি বিষয়ৰ দ্বাৰা সম্পদৰ সৰক্ষণ, প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক ইত্যাদিক দাঙি ধৰা দেখা যায়। যিটো মাথোঁ পৰিৱেশকেন্দ্ৰিক অন্তৰ্দৃষ্টিৰ দ্বাৰা নিৰ্ধাৰণ কৰিব পাৰি। এই অধ্যায়ত কোচ-ৰাজবংশী সাধুকথাসমূহক পৰিৱেশকেন্দ্ৰিক অন্তৰ্দৃষ্টিৰে আলোচনা কৰি মানৱজাতি আৰু প্ৰকৃতিৰ মাজত থকা সম্পৰ্কক আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

পঞ্চম অধ্যায়ত কোচ-ৰাজবংশী সাধুকথাৰ পৰিৱেশমূলক ৰূপাঙ্গৰ অধ্যয়ন কৰা হৈছে। ৰূপাঙ্গসমূহ হৈছে সাধুকথাৰ ক্ষুদ্ৰতম উপাদান। বিশ্বৰ বিভিন্ন সাধুকথাৰ একক সমতুল্যতা ৰূপাঙ্গ অধ্যয়নৰ দ্বাৰা জানিব পাৰি। এই অধ্যায়ত প্ৰায় চল্লিশটা কোচ-ৰাজবংশী সাধুকথাৰ ৰূপাঙ্গ নিৰ্ণয় কৰা হৈছে। আকৌ এই চল্লিশটা কোচ-ৰাজবংশী সাধুকথাৰ ভিতৰত ছাব্বিছটা সাধুকথাৰ পৰিৱেশমূলক ৰূপাঙ্গ নিৰ্ণয় কৰি মানুহ আৰু পৰিৱেশৰ মাজত থকা আন্তঃসম্পৰ্কক অধ্যয়ন কৰা হৈছে। দৰাচলতে সাধুকথাসমূহৰ ৰূপাঙ্গ অধ্যয়নৰ যোগেদি কোনো এটা জনগোষ্ঠীৰ সৃষ্টিৰ ৰহস্য, বিৱৰ্তন, মনস্তাত্ত্বিক চিন্তা-চেতনা, ৰীতি-নীতি ইত্যাদিৰ বিশ্বজনীন চৰিত্ৰৰ বিষয়ত জানিব পাৰি। অৱধাৰিতভাৱে বিশ্বজনীন চৰিত্ৰই কোচ-ৰাজবংশী সাধুকথাক কি ধৰণেৰে সাঙুৰিছে; ব্যৱহাৰিক ৰূপত কোচ-ৰাজবংশী জনগোষ্ঠীয় সাধুকথাৰ ৰূপাঙ্গসমূহে প্ৰাকৃতিক পৰিৱেশৰ লগত মানুহৰ আন্তঃসম্পৰ্ক প্ৰতিনিধিত্ব কৰাৰ লগতে পৰিৱেশ সচেতনতা আৰু সংৰক্ষণ বিষয়টোক কিধৰণেৰে উপস্থাপন কৰিছে; সেই বিষয়ত আলোচনা কৰা হৈছে।

উপসংহাৰত আমাৰ গৱেষণা গ্ৰন্থৰ এক সামগ্ৰিক আলোচনা কৰা হৈছে। গৱেষণাৰ ফলাফলসমূহ দাঙি ধৰা হৈছে, সমান্তৰালভাৱে কোচ-ৰাজবংশী লোক সাহিত্য বা সাধুকথাত

ভৱিষ্যতে কৰিব পৰা গৱেষণাৰ দিশসমূহ আলোচনা কৰা হৈছে।

বীজ শব্দ— পৰিৱেশতান্ত্ৰিক, সমালোচনা, কোচ-ৰাজবংশী, সাধুকথা, নৈতিকতা, জীৱ-জন্তু, জৈৱ-আঞ্চলিকতাবাদ, নাৰীবাদ, পৰিৱেশ।